# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-11-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ঝাৰখণ্ড মুক্তি মৰ্চাৰ বিধায়িনী দলৰ নেতা হেমন্ত ছোৰেণে আজি চতুৰ্থবাৰৰ বাবে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছে। আজি বিয়লি ৰাঁচীৰ মোৰহাবাৰী খেলপথাৰত আয়োজিত এটা আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল সন্তোষ কুমাৰ গংগোৱাৰে তেওঁক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। শপতগ্ৰহণ অনুষ্ঠানত কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী, পশ্চিমবংগৰ মখ্যমন্ত্ৰী মমতা বেনাৰ্জী, মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা, পাঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান, হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখু, আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱাল, সমাজবাদী পাৰ্টীৰ নেতা অখিলেখ যাদৱ, পি ডি পিৰ নেত্ৰী মেহমুবা মুফতি, শিৱসেনাৰ নেতা উদ্ধৱ ঠাকৰে আৰু আৰ জে ডিৰ নেতা তেজস্বী যাদৱকে ধৰি ইণ্ডি মৰ্চাৰ ভালেকেইগৰাকী নেতা উপস্থিত আছিল। উল্লেখযোগ্য যে সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত ঝাৰখণ্ড মুক্তিমৰ্চা নেতৃত্বাধীন মৰ্চাই বিধানসভাৰ ৮১ খন আসনৰ ভিতৰত ৫৬ খন আসন লাভ কৰি নিৰংকুশ সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিছিল। ৪৯ বছৰীয়া হেমন্ত ছোৰেন ঝাৰখণ্ডৰ চতুৰ্দশগৰাকী মুখ্যমন্ত্ৰী হ'ব।

০০০০০

কাজিৰঙাত চলি থকা আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ আজি তৃতীয় দিনা দেশ-বিদেশৰ প্ৰতিনিধিসকলে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰে। প্ৰতিনিধি দলটোৱে ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰাৰ পাছত অ'ৰ্কিড উদ্যান, হাতীখুলি চাহ বাগিচা পৰিভ্ৰমণ কৰি অসমৰ থলুৱা খাদ্যৰ জুতি লয়। কাজিৰঙাৰ অনুপম সৌন্দৰ্য উপভোগ কৰি পৰ্যটকসকল আপ্লুত হৈ পৰে। পৰ্যটন মেলালৈ অহা মহাৰাষ্ট্ৰ পৰ্যটনৰ ব্ৰেণ্ড এম্বেছাড'ৰ নাভেলি দেশমুখেও কাজিৰঙাৰ সৌন্দৰ্যক প্ৰশংসা কৰে। উল্লেখযোগ্য যে কাইলৈ এই পৰ্যটন মেলাৰ অন্ত পৰিব।

০০০০০

অসমৰ জ্যেষ্ঠ বিজ্ঞানী ড০ ৰাজীৱ গগৈয়ে ২০১২ চনৰ পৰা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইত গৱেষণা কৰি এতিয়ালৈকে কমেও ২০টা প্ৰজাতিৰ ডেম ডেউকাৰ প্ৰজাতি আৱিস্কাৰ কৰিছে। বিজ্ঞানীগৰাকীৰ এই বিষয়টোত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতক প্ৰতিনিধিত্ব কৰিছে। উদ্ভিদৰ প্ৰজাতি আৱিস্কাৰৰ এই উল্লেখনীয় গৱেষণাৰ বাবে ড০ গগৈক ছুইজাৰলেণ্ডৰ পৰা প্ৰকাশিত বিশ্বৰ এখন আগশাৰীৰ আলোচনীয়ে স্বীকৃতি প্ৰদান কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি বিজ্ঞানীগৰাকীক অভিনন্দন জ্ঞাপন কৰি এই কথা উল্লেখ কৰে। তেওঁ কয় যে ১৯৪৭ চনৰ পৰা ২০২৩ চনলৈকে বিষয়টোৰ গৱেষণাৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে তেওঁ চতুৰ্থ স্থান পাবলৈ সমৰ্থ হৈছে। ড০ গগৈৰ দলটোৱে কৰা গৱেষণাৰ সাফল্যৰ বাবে ভাৰতীয় উদ্ভিদ বিজ্ঞান জৰীপ বিভাগে বিশ্বৰ ভিতৰতে পঞ্চম প্ৰতিষ্ঠান ৰূপেও চিহ্নিত কৰিছে।

০০০০০

শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে অহা ৩০ নৱেম্বৰত কেইবাটাও শিক্ষা সংগঠনৰ সৈতে দিছপুৰৰ জনতা ভৱনত বৈঠকত মিলিত হ'ব। এই বৈঠকত চাকৰিৰ সেৱা বৃদ্ধি সন্দৰ্ভত আলোচনা কৰা হ'ব। অসম হাইস্কুল শিক্ষক সন্থা, সদৌ অসম চৰকাৰী বিদ্যালয় সেৱা সন্থা, সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থাকে ধৰি কেইবাটাও সংগঠনক এই বৈঠকলৈ আমন্ত্ৰণ জনোৱা হৈছে।

০০০০০

অহা ১ ডিচেম্বৰৰ পৰা আকাশবাণী গুৱাহাটীৰ এফ এম ১০০ দশমিক ৮ মেগাহাৰ্টজত, বিবিধ ভাৰতী চেনেলৰ পৰা প্ৰচাৰিত দিনৰ আৰু সন্ধিয়াৰ মুখ্য বাতৰিৰ প্ৰচাৰৰ সময়সূচী সামান্য সালসলনি ঘটোৱা হৈছে। এই অনুসৰি দিনৰ ১০ বাজি ১৫ মিনিটত প্ৰচাৰিত মুখ্য বাতৰি সেইদিনাৰ পৰা পুৱা ৭ বাজি ২৮ মিনিটত আৰু সন্ধিয়া ৬ বাজি ১৫ মিনিটত প্ৰচাৰিত মুখ্য বাতৰি নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰ কৰা হ'ব।

০০০০০

কৃষিখণ্ডৰ সৰ্বাংগীন উত্তৰণৰ হকে ৰাজ্য চৰকাৰে কৃষি বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। খাৰিফ বিপণন ঋতু ২০২৪-২৫ বৰ্ষত প্ৰতি কুইণ্টলত ন্যূনতম সমৰ্থিত মূল্য ২ হাজাৰ ৩০০ টকাত কৃষকৰ পৰা ধান ক্ৰয়ৰ ব্যৱস্থা কৰা হৈছে। ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহত ধান ক্ৰয়ৰ ব্যৱস্থা আৰম্ভ হ'ব। এই ব্যৱস্থাৰ জৰিয়তে উপকৃত হ'বলৈ কৃষকসকলক জিলা কৃষি বিষয়া অথবা কৃষি উন্নয়ন বিষয়াৰ সৈতে যোগাযোগ কৰিবলৈ কৃষি মন্ত্ৰী অতুল বৰাই আহ্বান জনাইছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ পুৰণি টেলিফোন নম্বৰ ২৬৬০৪২৬ পুনৰ বাহাল কৰা হৈছে। দীৰ্ঘদিন ধৰি এই টেলিফোন নম্বৰটো বিকল হৈ থকাৰ বাবে বাতৰি বিভাগ, আমাৰ সংবাদদাতাসকল আৰু আমাৰ শ্ৰোতাসকল যথেষ্ট আহুকালৰ সন্মুখীন হ'বলগীয়া হৈছিল। ভাৰত সঞ্চাৰ নিগম লিমিটেড চমুকৈ বি এছ এন এলৰ অধীনৰ এই টেলিফোন নম্বৰলৈ মোবাইল ফোনৰ পৰা ০৩৬১- এই কোড ব্যৱহাৰ কৰি ডায়েল কৰিব লাগিব। সংবাদদাতা আৰু সৰ্বসাধাৰণ ৰাইজে ০৩৬১-২৬৬০৪২৬ নম্বৰত টেলিফোন কৰি যিকোনো বাতৰি আৰু মত-অভিমত জনাব পাৰিব।

০০০০০

অসম বক্সিং সন্থাৰ উদ্যোগত কাইলৈৰ পৰা গুৱাহাটীত ৪৪ সংখ্যক সদৌ অসম চিনিয়ৰ আন্তঃজিলা বক্সিং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ খেলসমূহ কাইলৈ আৰম্ভ হ'ব যদিও পৰহিলৈ বিয়লি ৩ বজাত এই প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। পুৰুষ আৰু মহিলাৰ উভয় শাখাৰ ১০টা ওজন শাখাৰ খেল  অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাত ৩ শতাধিক খেলুৱৈয়ে অংশ ল'ব। অহা ২ ডিচেম্বৰত প্ৰতিযোগিতাৰ সামৰণি পৰিব। আজি অসম বক্সিং সন্থাৰ সম্পাদক তথা ভাৰতীয় বক্সিং সংস্থাৰ সচিব হেমন্ত কুমাৰ কলিতাই এই বিষয়ে প্ৰকাশ কৰি কয় যে এই প্ৰতিযোগিতাৰ পৰাই অহা জানুৱাৰীত হ'বলগীয়া এলীট ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অসমৰ পুৰুষ আৰু মহিলাৰ দল বাছনি কৰা হ'ব। এই প্ৰতিযোগিতাত অলিম্পিয়ান বক্সাৰ শিৱ থাপা, লাভলীনা বৰগোঁহাই আৰু অসমৰ তাৰকা বক্সাৰ অংকুশিতা বড়ো, যমুনা বড়ো আদিয়ে অংশ ল'ব।

০০০০০

সমাপ্ত